# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 11**-06-2024
**Time :** 1800 Hrs.

***EVENING BULLETIN ASSAMESE REGIONAL***

***:::::::::::::::::::::::::::::::::::::***

কেন্দ্ৰীয় মন্ত্ৰীসভাৰ কেইবাগৰাকীও মন্ত্ৰীয়ে আজি কাৰ্যভাৰ গ্ৰহণ কৰিছে। ড° এছ জয়শংকৰে বিদেশ মন্ত্ৰী, কিৰেণ ৰিজিজুৱে সংসদীয় আৰু সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী, অশ্বিনী বৈষ্ণৱে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী, জে পি নাড্ডাই স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী, শিৱৰাজ সিং চৌহানে কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী, গজেন্দ্ৰ সিং শেখাৱটে সাংস্কৃতিক মন্ত্ৰী, জিতন ৰাম মাঝিয়ে অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ মন্ত্ৰী, জ্যোতিৰাদিত্য সিন্ধিয়াই যোগাযোগ মন্ত্ৰী, ভূপেন্দ্ৰ যাদৱে পৰিৱেশ মন্ত্ৰী, মনোহৰ লালে শক্তি মন্ত্ৰী, গিৰিৰাজ সিঙে বস্ত্ৰ মন্ত্ৰী, চিৰাগ পাছোৱানে খাদ্য প্ৰসংস্কৰণ উদ্যোগ মন্ত্ৰী, চি আৰ পাটিলে জল শক্তি মন্ত্ৰী, ড° জিতেন্দ্ৰ সিঙে কৰ্মচাৰী আৰু প্ৰশিক্ষণ দপ্তৰৰ স্বতন্ত্ৰ ৰাজ্য মন্ত্ৰী, অৰ্জুন ৰাম মেঘৱালে আইন আৰু ন্যায় দপ্তৰৰ স্বতন্ত্ৰ ৰাজ্য মন্ত্ৰী, জয়ন্ত চৌধৰীয়ে দক্ষতা বিকাশ আৰু উদ্যমশীলতা বিভাগৰ ৰাজ্য মন্ত্ৰী, সঞ্জয় শেঠে প্ৰতিৰক্ষা ৰাজ্য মন্ত্ৰী, সুৰেশ গোপীয়ে পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ ৰাজ্য মন্ত্ৰী, পৱিত্ৰ মাৰ্ঘেৰিটাই বস্ত্ৰ ৰাজ্য মন্ত্ৰী, অনুপ্ৰিয়া পেটেল আৰু যাদৱ প্ৰতাপ গণপত ৰায় স্বাস্থ্য ৰাজ্য মন্ত্ৰী তথা ড° এল মুৰুগনে তথ্য আৰু সম্প্ৰচাৰ ৰাজ্য মন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰিছে।

উল্লেখযোগ্য যে, বস্ত্ৰ ৰাজ্য মন্ত্ৰী তথা বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰি পৱিত্ৰ মাৰ্ঘেৰিটাই কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কেবিনেটত এই দায়িত্ব লাভ কৰি তেওঁ অতি আনন্দিত আৰু সুচাৰুৰূপে দায়িত্ব পালন কৰি যাবলৈ প্ৰতিশ্ৰুতিবদ্ধ।

০০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কৈছে যে, বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ে **সামুদ্ৰিক অমৃত কাল ভিজন** ২০৪৭ত কল্পনা কৰা সামগ্ৰিক বিকাশৰ দিশত সামুদ্ৰিক খণ্ডক শক্তিশালী কৰাৰ বাবে কাম কৰি যাব। কালি নতুন দিল্লীত  বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ৰ কাৰ্যভাৰ গ্ৰহণ কৰি শ্ৰী সোণোৱালে তেওঁৰ কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীসকলক সম্বোধন কৰি এইদৰে প্ৰকাশ কৰে। তেওঁ লগতে বিকশিত ভাৰতৰ লক্ষ্য পূৰণৰ দিশত দেশৰ প্ৰতি সেৱা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি সম্পূৰ্ণ কৰি তেওঁৰ দলটোক ভাল কাম কৰাৰ পৰম্পৰা অব্যাহত ৰাখিবলৈ আহ্বান জনায়। শ্ৰী সোণোৱালে লগতে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গতিশীল নেতৃত্বত বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ে সামুদ্ৰিক খণ্ডক শক্তিশালী কৰাৰ দিশত আৰু অৰ্থনৈতিক শক্তিক্ষেত্ৰ হোৱাৰ লক্ষ্য পূৰণৰ বাবে দৃঢ়তাৰে কাম কৰি আহিছে। তেওঁৰ মন্ত্ৰালয়ে বিকশিত ভাৰতৰ চূড়ান্ত লক্ষ্যপ্ৰাপ্তিৰ এই যাত্ৰাত **ৰাষ্ট্ৰ প্ৰথম** মন্ত্ৰেৰে নিজকে প্ৰতিশ্ৰুতিবদ্ধ কৰি যাব বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০০

সাম্ভাব্য বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি তিনিচুকীয়া জিলাত খাদ্য আৰু অসামৰিক যোগান বিভাগে অত্যাৱশ্যকীয় সামগ্ৰীৰ যাতে নাটনি নহয় তাৰ বাবে তৎপৰ হৈ পৰিছে। জিলা আয়ুক্তৰ নিৰ্দেশমৰ্মে কালি এই সন্দৰ্ভত অসামৰিক যোগান বিভাগ, ভাৰতীয় খাদ্য নিগম, ৰে'ল বিভাগ আৰু আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ বিষয়াসকল, অত্যাৱশ্যকীয় খাদ্য-সামগ্ৰীৰ লগত জড়িত ব্যৱসায়ী, ৰন্ধন গেছ বিতৰক আৰু পেট্ৰ'ল পাম্পৰ স্বত্বাধিকাৰী সকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। সভাত খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ ভাৰপ্ৰাপ্ত উপ-সঞ্চালক গৰাকীয়ে ভাষণ দি আকস্মিক দুৰ্যোগ বা বানপানীৰ সময়ত জিলাখনত যাতে অত্যাৱশ্যকীয় সামগ্ৰীৰ যাতে নাটনি নহয় আৰু এনে অৱস্থাৰ সুযোগ লৈ কোনো কাৰণেত অনৈতিকভাৱে কৃত্ৰিম নাটনিৰ সৃষ্টি নকৰে তাৰ বাবে সকলোকে দৈনিক সামগ্ৰী মজুত তথা দৰৰ তালিকা জমা দিবলৈ নিৰ্দেশ দিয়ে। সভাখনত ৰে'ল তথা আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ বিষয়াসকলক আৰু আন খাদ্যবস্তু সৰবৰাহকাৰীসকলক ভৱিষ্যতে উদ্ভৱ হ'ব পৰা যিকোনো পৰিস্থিতিৰ মুখামুখি হ'ব পৰাকৈ প্ৰস্তুত হৈ থাকিব আহ্বান জনায়।

00000000

ৰাজ্যৰ বিভিন্ন জিলাৰ কৃষকসকলৰ মাজত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা আঁচনিৰ লগতে কৃষি বিভাগৰ অন্যান্য জনকল্যাণমূলক আঁচনিসমূহৰ সন্দৰ্ভত সজাগতা বৃদ্ধিৰ বাবে কৃষি বিভাগে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে। আজি ডিব্ৰুগড় জিলাৰ লাহোৱাল আৰু ৰহমৰীয়া কৃষি চক্ৰৰ লগতে জয়পুৰ কৃষি চক্ৰতো কৃষি বিভাগে কৃষকসকলৰ মাজত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা আঁচনিৰ সন্দৰ্ভত বিশেষ সজাগতা সভা অনুষ্ঠিত কৰে।

আনহাতে, মাজুলী জিলা কৃষি বিভাগৰ উদ্যোগত আজি গড়মূৰস্থিত জিলা ঔদ্যোগীক আৰু বাণিজ্য কেন্দ্ৰৰ সভাগৃহত সামূহিক সেৱা কেন্দ্ৰ আৰু বীমা কোম্পানীৰ বিষয়ববীয়াৰ সৈতে প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা আঁচনিৰ সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। আগন্তুক সময়ত জিলাখনৰ সকলো কৃষকেই যাতে এই আঁচনিৰ অন্তৰ্ভুক্ত হোৱাৰ লগতে প্ৰয়োজনীয় সময়ত আঁচনিৰ সুফল লাভ কৰিব পাৰে সেই সন্দৰ্ভতো সভাত বিতংভাৱে আলোচনা কৰা হয়। সভাত জিলা কৃষি বিষয়া, জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া, সহকাৰী কৃষি পৰিদৰ্শক, জিলা ঔদ্যোগিক আৰু বাণিজ্যকেন্দ্ৰৰ সহকাৰী প্ৰবন্ধককে ধৰি সংশ্লিষ্ট বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

ইপিনে, গড়মূৰ কৃষিচক্ৰৰ অন্তৰ্গত ৰঙাচাহিৰ ঠাকুৰসুঁতি গাঁৱত আজি জিলা কৃষি বিষয়া নাচেৰ ইকবাল ৰেজাই জৈৱিক মূল্য শৃংখল অভিযান আঁচনিৰ অধীনৰ মাজুলী এগ্ৰ' অৰগেনিক কৃষক উৎপাদক কোম্পানীৰ ধানকলৰ স্থায়ী গৃহৰ আধাৰশিলা স্থাপন কৰে।

00000000

ঃসমাপ্তঃ